# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-05-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

পঞ্চায়তৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ আজি বিয়লি চাৰে ৪ বজাত সামৰণি পৰিব। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন পৰহিলৈ অনুষ্ঠিত হ'ব। প্ৰচাৰ অভিযানৰ আজি অন্তিম দিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ তুংগত উঠিছে। ধুবুৰী, দক্ষিণ শালমাৰা-মানকাচৰ, গোৱালপাৰা, বঙাইগাঁও, বৰপেটা, বজালী, নলবাৰী, কামৰূপ, কামৰূপ মহানগৰ, হোজাই, নগাঁও, মৰিগাঁও আৰু দৰং জিলাত দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰৰ আজি অন্তিম দিনা আজি ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাব।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, সাংসদ প্ৰদ্যুৎ বৰদলৈ, ৰকিবুল হুছেইন, গৌৰৱ গগৈ, বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াও কেইবাখনো প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

মুখ্যমন্ত্ৰী ডঃ শৰ্মাই আজি বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত ছয়গাঁও মিনি ষ্টেডিয়ামত অগপ, বিজেপি আৰু ৰাভা-হাছাং যৌথ সংগ্ৰাম সমিতিৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। একেদৰে বজালী বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি আৰু অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাব। বজালী জিলাৰ নিত্যানন্দৰ বিদ্যাভৱন নিত্যানন্দ হাইস্কুল খেলপথাৰত আয়োজিত বিশাল বিজয় সংকল্প সমাৰেশত মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কালি নতুনকৈ জালুকবাৰী সমষ্টিৰ অন্তৰ্ভুক্ত হোৱা আজাৰাৰ মাজিৰগাঁৱত প্ৰচাৰ চলায়। তেওঁ পলাশবাৰী আৰু কাঁহিকুছিতো নিৰ্বাচনী প্ৰচাৰ চলায়। পলাশবাৰীৰ মাজিৰগাঁৱত জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত বিজেপি নেতৃত্বাধীন চৰকাৰৰ শাসনকালত অৰ্থনৈতিক উন্নয়ন হৈছে বুলি মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি অভয়াপুৰী বিধানসভা সমষ্টিৰ ঘিলাগুৰিত প্ৰচাৰ চলায়। শ্ৰীসোণোৱালে বৰপেটা জিলাৰ বনিয়াকুছিত আয়োজিত প্ৰচাৰ কাৰ্যসূচীতো অংশগ্ৰহণ কৰে। মন্ত্ৰী কেশৱ মহন্তয়ো কালি কলিয়াবৰ সমষ্টিৰ দেওচুৰ চাঙত বিজেপি আৰু অসম গণ পৰিষদ মিত্ৰজোঁটৰ আঞ্চলিক সদস্যপদৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়। তেওঁ ৭ নম্বৰ বেচামাৰী আৰু কাজিৰঙাৰ কুঠৰীতো প্ৰচাৰ সভাত অংশ লয়।

লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈয়ে কালি গুৱাহাটীৰ চন্দ্ৰপুৰত পঞ্চায়ত নিৰ্বাচনৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ সভাত অংশ লয়। কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই বৰপেটা জিলাৰ পাকাবেতবাৰী সমষ্টিৰ ভক্তৰদবাত প্ৰচাৰ চলায়। সাংসদ প্ৰদ্যুৎ বৰদলৈও কালি কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ হৈ দক্ষিণ ধৰমতুল গাঁও পঞ্চায়তত প্ৰচাৰ চলায়।

অসম জাতীয় পৰিষদ দলৰ হৈ লুৰীণজ্যোতি গগৈয়ে কালি নলবাৰীত প্ৰচাৰ চলায়। দক্ষিণ শালমাৰা মানকাচৰ জিলাত এ আই ইউ ডি এফ দলৰ কেইবাগৰাকী বিধায়কে কালি প্ৰচাৰ সভাত অংশ লয়।

ইপিনে, পৰহিলৈ নিৰ্বাচন হ'বলগীয়া জিলাকেইখনৰ প্ৰশাসন ইতিমধ্যে নিৰ্বাচনৰ বাবে সাজু হৈ উঠিছে। নিৰ্বাচনৰ সময়ত যাতে কোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে কেইবাখনো জিলাত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে।

০০০০০০

কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অধীনত থকা নগৰ সমিতি আৰু পৌৰসভাৰ তদৰ্থ সমিতিৰ বিষয়ববীয়াসকলক আজি ডিফুৰ সমীপৰ তাৰালাংছ'ৰ কাজিৰ ৰংহাংপি মেম'ৰিয়েল ফৰেষ্ট গেষ্ট হাউছত গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱা হৈছে। এই সংক্ৰান্তত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ নগৰ আৰু পৌৰসভাৰ দায়িত্বত থকা যুটীয়া সচিবগৰাকীয়ে জাৰি কৰা জাননী মতে আজি দিনৰ ১১ বজাৰ পৰা শপত গ্ৰহণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। উল্লেখযোগ্য যে নগৰ সমিতি আৰু পৌৰসভাৰ পৰিচালনাৰ ম্যাদ অন্ত পৰাৰ পৰিপ্ৰেক্ষিতত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে পৰিষদৰ অধীনৰ  সকলো নগৰ সমিতি আৰু পৌৰসভা পৰিচালনা সমিতি নতুনকৈ গঠন কৰিছিল।

০০০০০০০

অহা ৯ মে'ৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ঢকুৱাখনাৰ ম'হঘুলি চাপৰিত ঐতিহ্যমণ্ডিত ফাটবিহু অনুষ্ঠিত হ'ব। প্ৰথমদিনাৰ কাৰ্যসূচী মতে পুৰা পতাকা উত্তোলন, স্মৃতি তৰ্পন কৰাৰ লগতে বিহু দলসমূহক আদৰণি জনোৱা হ'ব। দ্বিতীয় দিনা কপৌ ফুল আৰু অন্য গছৰ পুলি ৰোপণ কৰা হ'ব। দিনৰ ভাগত গামোচা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সেইদিনাই হুঁচৰি প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ লগতে ফাটবিহুৰ বছৰেকীয়া প্ৰকাশ বিহুৱান উন্মোচন কৰা হ'ব। বিশিষ্ট কবি, সাহিত্যিক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° কৰবী ডেকা হাজৰিকাই স্মৰণিকা উন্মোচন কৰিব। ১১ মে'ত অৰ্থাৎ অন্তিম দিনা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। এই শোভাযাত্ৰা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন নৃত্যশিল্পী তথা অভিনেত্ৰী মেঘৰঞ্জনী মেধিয়ে উদ্বোধন কৰিব। ইয়াৰ পাছতে ফাটবিহুৰ নিজা বৈশিষ্টপূৰ্ণ গছতলৰ মুকলি বিহু প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ফাটবিহুৰ বিভিন্ন অনুষ্ঠানত ঢকুৱাখনা বিধানসভা সমষ্টিৰ বিধায়ক নৱ কুমাৰ দলে, অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা, মন্ত্ৰী ডাঃ ৰণোজ পেগু, লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা তথা অসম বিধানসভাৰ সচিব দুলাল পেগুৱে অংশগ্ৰহণ কৰিব।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত ডেলহী কেপিটেলছ- ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭.৩০ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা ধৰ্মশালাৰ হিমাচল প্ৰদেশ ক্ৰিকেট এছ'চিয়েশ্যন ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত পাঞ্জাৱ কিংছে লক্ষ্ণৌ ছুপাৰ জায়েন্টছক ৩৭ ৰানত পৰাস্ত কৰে।

ইপিনে, কালি ইডেন গাৰ্ডেনছত অনুষ্ঠিত প্ৰথমখন খেলত কলকাতা নাইট ৰাইডাৰ্ছে ৰাজস্থান ৰয়েলছক এক ৰানত পৰাস্ত কৰে।

০০০০

FIR SEXUAL HARASSMENT-PTC SILCHAR

অসম বিশ্ববিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক অজিত কুমাৰ জেনাৰ বিৰুদ্ধে বিশ্ববিদ্যালয়ৰ ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অনৈতিক আৰু যৌন ইংগিতপূৰ্ণ আচৰণ কৰা বুলি অভিযোগ তুলি বিশ্ববিদ্যালয়ৰ আৰক্ষী চকীত এখন লিখিত অভিযোগ দাখিল কৰিছে। অভিযুক্ত অধ্যাপকগৰাকীয়ে দীৰ্ঘদিন ধৰি ছাত্ৰীৰ প্ৰতি অনৈতিক, যৌন ইংগিতপূৰ্ণ, আৱেগিকভাৱে হাৰাশাস্তি কৰা আচৰণত লিপ্ত হৈ আহিছে। অধ্যাপক গৰাকীয়ে নিজৰ ক্ষমতাৰ অপব্যৱহাৰ কৰি যোৱা ২৩ এপ্ৰিল, ২৮ এপ্ৰিল আৰু আন কেইবাদিনো বিভিন্ন শৈক্ষিক সভাৰ সময়ত ছাত্ৰীৰ প্ৰতি আপত্তিজনক মন্তব্য কৰা আৰু যৌন ইংগিত পূৰ্ণ অশ্লীল আচৰণত কৰা বুলি অভিযোগ পত্ৰখনত উল্লেখ কৰা হৈছে।

আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱামতে এই ঘটনাই বিশ্ববিদ্যালয়ৰ চৌহদত উত্তেজনাৰ সৃষ্টি কৰিছে আৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই ইতিমধ্যে এই বিষয়টো সন্দৰ্ভত আভ্যন্তৰীণ তদন্তৰ নিৰ্দেশ দিছে। oooooo